Sample question paper

2026-27

Class -X

Subject- Assamese

Subject code- 014

Time: 3 hours Full marks :80

## Section A

### Comprehension (বোধ পৰীক্ষণ)

a) তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ বাছি উলিওৱা। 1×9=9

### অসমৰ কুটীৰ শিল্প

অসম কুটীৰ শিল্পত চহকী। এৰী, মুগা, পাট, কপাহী আদি বয়ন শিল্প, কাঁহ–পিতলৰ শিল্প, কাঠ, বেত, বাঁহৰ শিল্প, মৃৎ শিল্প, সোণ–ৰূপৰ অলংকাৰ, ভাস্কৰ্য শিল্প আদি কুটীৰ শিল্পৰে অসম ঐশ্বৰ্য্যশালী।

অসমৰ শুৱালকুছিৰ পাট- মুগাৰ কাপোৰ ছাঁতে শুকোৱা মুঠিতে লুকোৱা। অসমীয়া ছোৱালী- বোৱাৰীয়ে ৰাতিৰ ভিতৰতে কপাহ নেওঠি, সূতা কাটি কাপোৰ বৈ উলিয়াই পিছদিনা পুৱা গৃহস্থ, পো–নাতিক সেই কাপোৰ পিন্ধাই যুদ্ধক্ষেত্ৰলৈ পঠিয়াইছিল। এনে কাপোৰক কবচ কাপোৰ বোলা হৈছিল।

কাঁহ শিল্পৰ বাবে সৰ্থেবাৰী বিখ্যাত। নানাবিধ আচবাবৰ উপৰিও বেদীৰ সিংহাসন, মূৰ্তি, মুখা আদি কাঠেৰে তৈয়াৰী শিল্প সমাজত যথেষ্ট আছে। বাঁহ-বেতৰ আচবাব, পাচি, খৰাহী, ডলা, চালনী, জাপি, মাছ মৰা সজুঁলি- চেপা, জাকৈ, পল, জুলুকি, ঠোহা আদি এতিয়াও প্ৰচলিত।

সোণ–ৰূপৰ অলংকাৰ তৈয়াৰী শিল্পও অসমৰ মূল্যৱান শিল্প। এসময়ত সোৱণশিৰি নৈৰপৰাও সোণ আহৰণ কৰা হৈছিল। জোনবিৰি, কেৰু, জাংফাই, গেজেৰা, থুৰীয়া অসমৰ আদৰৰ অলংকাৰ। বৰপেটাৰ হাতীদাঁতৰ অলংকাৰ শিল্পও অতি শুৱনি ।

লোহাৰ দা, কুঠাৰ, কোৰ, কটাৰী আদি সামগ্ৰী অসমীয়া শিল্পীয়ে গঢ়ে। মাটিৰ বৰ্তন গঢ়া মৃৎশিল্প বৰ্তমানেও অসমৰ বিভিন্ন ঠাইত বৰ্তি আছে। অসমৰ পুৰণি মঠ- মন্দিৰ, ৰংঘৰ-কাৰেংঘৰ, দৌল- দেৱালয়ৰ ভাস্কৰ্য শিল্প অতি মনমোহা ।

বৈজ্ঞানিক যুগত বৃহৎ উদ্যোগৰ সৈতে ক্ষুদ্ৰ উদ্যোগে ফেৰ মাৰিব নোৱাৰা হৈছে যদিও অসমীয়া শিল্পীসকলে এই কুটীৰ শিল্পসমূহ সংৰক্ষণ আৰু পৰিবৰ্দ্ধনৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

প্ৰশ্ন:

I) শুৱালকুছি কি কাপোৰৰ বাবে বিখ্যাত ?

A) পাট

B) কপাহী

C) এৰী

D) গৰম

II)তলৰ কোনবিধ কাঠেৰে নিৰ্মিত সামগ্ৰী নহয় ?

A) সিংহাসন

B) মূৰ্তি

C) মুখা

D) চালনী

III) হাতীদাঁতৰ অলংকাৰ ক'ত গঢ়া হয় ?

A) নলবাৰীত

B) বৰপেটাত

C) যোৰহাটত

D) শিৱসাগৰত

IV)ভাস্কৰ্য শিল্পৰ নিদৰ্শন ক'ত দেখিবলৈ পোৱা নাযায়?

A) মন্দিৰ

B) দৌল

C) গাড়ী

D) ৰংঘৰ

V) কোনটো নদীত সোণ পোৱা গৈছিল?

A) দিখৌ

B) বৰাক

C) ব্ৰহ্মপুত্ৰ
D) সোৱণশিৰি

VI) মৃৎশিল্পত কি সামগ্ৰী ব্যৱহাৰ কৰা হয়?

A) মাটি
B) লোহা
C) ৰূপ
D) তাম

VII) বিপৰীত শব্দ লিখা- “ছোৱালী”

A) ল’ৰা

B) বোৱাৰী

C) নাতি

D) গৃহস্থ

VIII) সমাৰ্থক শব্দ লিখা- ‘বৰ্তন’

A) বিচনা

B) বাচন

C) কিতাপ

D) কাপোৰ

IX) ‘প্ৰচলিত’- শব্দটোত কি উপসৰ্গ যোগ হৈছে?

A) প্ৰ

B) পৰা

C) পৰি

D) পৰ

b) তলত দিয়া প্ৰশ্নকেইটা চমু উত্তৰ লিখা 2x3=6

A) অসম কি কি কুটীৰ শিল্পৰে চহকী ?

B) বাঁহ-বেতেৰে তৈয়াৰ কৰা কেইবিধমান সজুঁলিৰ নাম লিখা ।

C) অসমীয়া মহিলাই পৰিধান কৰা কেইবিধমান অলংকাৰৰ নাম লিখা।

## Section B

(লিখন কলা)

(2)a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। শিৰোনাম আৰু নীতিশিক্ষা দিবা । 5x1=5

এহাল বুঢ়া–বুঢ়ী.....বুঢ়াই কচু কেচাঁই ৰুলে। শিয়ালে সিজাই ৰুব কোৰাত বুঢ়াই সিজাই ৰুলে.....শিয়ালে খাই পেলালে.....বুঢ়াই লালীগুৰ সানি মৰা ভাও ধৰিলে..... বুঢ়ীয়ে কান্দিবলৈ ধৰিলে.....শিয়ালবোৰে বুঢ়াক খাবলৈ অহাত কেইটামান কোবাই মাৰিলে.....এদিন বুঢ়ী জীয়েকৰ ঘৰলৈ গ'ল.... বাটত শিয়ালে আগচি খাব খোজাত বুঢ়ীয়ে কাবৌ কৰি উভতি আহিলে খাব ক'লে...বুঢ়ীয়ে জীয়েকৰ ঘৰৰপৰা এটা ডাঙৰ লাওৰ ভিতৰত সোমাই বাগৰি আহিল ......ঘৰৰ ওচৰত শিয়ালে লাওটো ভাঙি বুঢ়ীক খাবলৈ ওলাল..... বুঢ়ীয়ে নাচ শিকাব বুলি কৈ গানৰ সুৰত কুকুৰ দুটাক মাতিলে.....কুকুৰে শিয়াল খেদিলে ।

নাইবা

b) যিকোনো এখন ৰচনা লিখা। 5×1=5

I) অসমৰ নিবনুৱা সমস্যা

II) অভয়াৰণ্য

3) তোমাৰ বিদ্যালয়ত অনুষ্ঠিত আধুনিক নৃত্য প্ৰতিযোগিতাৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰবাবে এখন প্ৰতিবেদন লিখা। 5x1=5

4) তলত দিয়া যিকোনো এটা ফকৰা- যোজনা বুজাই লিখা। 5x1=5

I) এশ গৰু মাৰিলে বাঘৰো মৰণ

II) অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ

5) তোমাৰ অঞ্চলটোৰ ৰাজহুৱা পথটো নিৰ্মাণৰ অনুৰোধ জনাই চৰকাৰী বিভাগলৈ এখন চিঠি লিখা। চিঠিত নাম আৰু ঠিকনা সাংকেতিক চিহ্নত লিখিবা। 5x1=5

6) তলত দিয়া খণ্ডবাক্য কেইটাৰে বাক্য ৰচনা কৰা (যিকোনো ৫ টাৰ) 1x5=5

গা পাতি লোৱা, ঘৰ পাত, চকু মেলি চা, চকুৰ কুটা, মুখ মেলি থাক, দাঁতে ওঁঠে নালাগ

Section-C

(ব্যাকৰণ)

7) তলৰ শব্দকেইটাৰ শুদ্ধ সন্ধি বাছি উলিয়াই লিখা ? 1x4=4

I) আশীৰ্বাদ

A) আশীঃ+বাদ
B) আশী+বাদ
C) আশীৰ+বাদ
D) আশি+বাদ

II) নমস্কাৰ

A) নম+স্কাৰ
B) নমঃ+কাৰ
C) নম+ আকাৰ
D) নমস+কাৰ

III) হাবিয়নি

A) হাবি+অনি
B) হাবি+য়নি
C) হাবী+অনি
D) হাবি+য়নী

IV) শতেক

A) শ+তেক
B) শত+এক
C) শত+ক
D) শত+আক

8) শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা৷ 1x2=2

I) তলৰ কোনটো উপসৰ্গ নহয়?

A) চোন

B) প্ৰ

C) পৰা

D) সম

II) ‘নিৰ্ণয়’- শব্দটোত কি উপসৰ্গ যোগ হৈছে?

A) নি

B) নিৰ

C) ন

D) নৰ

9) উত্তৰ লিখা 1x2=2

I) তলৰ কোনটো অনুসৰ্গ নহয়?

A) ও

B) চোন

C) তো

D) পৰি

II) ‘তুমি কালিলৈ আহিবা দেই’- বাক্যটোত কি অনুসৰ্গ ব্যৱহাৰ হৈছে ?

A) তুমি

B) দেই

C) লৈ

D) ই

10) শুদ্ধ  সমাৰ্থক শব্দ বাছি উলিয়াই লিখা ।                                    1x2=2

I) চকু

A) নিলয়

B) নয়ন

C) ৰসনা

D) নীৰদ

II) পদুম

A) তটিনী

B) ৰজনী

C) কমল

D) নীলিমা

11) বিপৰীতাৰ্থক শব্দ বাছি উলিয়াই লিখা ।                                    1×2=2

I) মুখ্য

A) গৌণ

B) গহীন

C) বন্ধ

D) জিকা

II) সুলভ

A) গুৰু

B) দুৰ্লভ

C) ক্ষতি

D) বিগ্ৰহ

12) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা 1x4=4

I) আমি কালিলৈ কাজিৰঙালৈ যাম ।

A) সৰল বাক্য

B) জটিল বাক্য

C) মিশ্র বাক্য

D) যৌগিক বাক্য

II) মই যেতিয়া পঢ়ো, সি তেতিয়া খেলে ।

A)সৰল বাক্য

B)যৌগিক বাক্য

C)মিশ্র বাক্য

D)জটিল বাক্য

III) লাচিতে মোগলক পৰাস্ত কৰিছিল আৰু গুৱাহাটীৰপৰা খেদিছিল।

A) সৰল বাক্য

B) যৌগিক বাক্য

C) জটিল বাক্য

D) মিশ্র বাক্য

IV) যদি নিয়ম মতে ব্যায়াম কৰা তেনেহলে স্বাস্থ্য ভালে থাকিব ।

A) সৰল বাক্য

B) যৌগিক বাক্য

C) মিশ্র বাক্য

D) জটিল বাক্য

13) উত্তৰ লিখা 1x2=2

I) ধাতু বুলিলে কি বুজা?

II) ধাতু কেইপ্ৰকাৰৰ আৰু কি কি?

14) উত্তৰ লিখা 1x2=2

I) অতীত কাল কাক বোলে?

II) বৰ্তমান কাল কেই প্ৰকাৰৰ আৰু কি কি ?

Section-4

(গদ্য ভাগ)

15) তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা । 4×1=4

I) “অসমৰ বৈচিত্ৰপূৰ্ণ জনগোষ্ঠীৰ গাঁথনিত অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা পৰিছে”- কথাষাৰৰ তাৎপৰ্য বুজাই লিখা।

II) “এজন উদ্যোগী হোৱা যিমান সহজ, সফল হোৱাটো সিমান সহজ নহয়”- কথাষাৰ পাঠৰ আধাৰত বুজাই লিখা।

16) চমু উত্তৰ লিখা( যিকোনো এটাৰ) 2x1=2

I) চাহ উদ্যোগৰ কৰ্মীসকল কোন? তেওঁলোক ক’ৰ ক’ৰপৰা অসমলৈ আহিছিল?

II) মহীচন্দ্ৰ মিৰি কোন ? কাজিৰঙাক বিশ্ব দৰবাৰত চিনাকি কৰাই দিবলৈ তেওঁ কেনে ভূমিকা লৈছিল?

17) উত্তৰ লিখা 1x4=4

I) নিগনা চিকাৰীৰ প্ৰকৃত নাম কি?

II) প্ৰাচীন কালৰপৰা অসম কিহৰ বাবে প্ৰসিদ্ধ আছিল ?

III)কিমান চনৰপৰা কিমান চনলৈ অসমৰ বিদ্যালয়ত বঙলা ভাষা চলিছিল ?

IV) এজন উদ্যোগী আৰু কৰ্মহীন নিবনুৱাৰ মাজত  থকা ক্ষুদ্ৰ ব্যৱধান কি ?

(পদ্য ভাগ)

18) যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা । 4x1=4

I) আতুৰ ভৈলোহি হৰি বিষয় বিকলে।

কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে ।- কবিতাফাঁকি ব্যাখ্যা কৰা

II)মোহন কীচক বেনু অনাগত ছন্দ

গায় মহামহিমৰ গান

মোহ তন্দ্ৰালস তেজি উঠা ভক্তবৃন্দ

সুন্দৰৰ কৰা ৰূপ ধ্যান।

- কবিতাফাঁকিৰ অন্তৰ্নিহিত ভাৱ বিশ্লেষণ কৰা।

19) চমু উত্তৰ লিখা ( যিকোনো এটাৰ) 2×1=2

I) বৰগীতৰ দুটা লক্ষণৰ বিষয়ে লিখা।

II) জিকিৰ শব্দটোৰ অৰ্থ কি? কোনবোৰ গীতৰ সৈতে জিকিৰৰ সুৰৰ সাদৃশ্য আছে ?

20 ) উত্তৰ লিখা 1x4=4

I) মাধৱদেৱৰ জন্ম ক'ত আৰু কেতিয়া হৈছিল ?

II)জিকিৰৰ ৰচক কোন?

III)"ৰছুল" শব্দটিৰ অৰ্থ কি?

IV)ৰঘুনাথ চৌধাৰীক কি কবি হিচাপে জনা যায় ?

............